# মোদীৰ সৈতে পাৱেলৰ বৈঠক, আমেৰিকা যুক্তৰাষ্ট্ৰৰ আভ্যন্তৰীন শুদ্ধৰণি

দিনাংক- ১৩ ফেব্ৰুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ’লৰ নেতা

আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত মিছেছ নেন্সি পাৱেলে গুজৰাটৰ মুখ্যমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ সৈতে বৈঠক কৰে । ভাৰতৰ ঘৰুৱা পৰিবেশৰ ভিত্তিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰশাসনে গুজৰাটৰ মুখ্যমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ সৈতে পুনঃ সম্পৰ্ক কৰাৰ সিদ্ধান্ত লৈছে । মই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰশাসনৰ আভ্যন্তৰীণ শুদ্ধৰণিক অভিনন্দন জনাইছো । আমেৰিকা যুক্তৰাষ্ট্ৰৰ, ভাৰতৰ নিৰ্বাচিত প্ৰতিনিধিৰ সৈতে সম্পৰ্ক নৰখাৰ সিদ্ধান্ত কোনো তথ্য অথবা ন্যায়লয়ৰ ৰায়দানৰ ভিত্তিত নাছিল । আনকি এইয়া সংবাদ মাধ্যম আৰু কিছুমান সেচ্ছাসেৱী সংগঠনে কৰা বেয়া প্ৰচাৰৰ ভিত্তিতহে আছিল ।

আমাৰ বাবে এই বৈঠক ৰাষ্ট্ৰদূতৰ কাৰ্য্য ব্যৱস্থাৰ এটি অংগ । ইয়াত কোনো সন্দেহ নাই যে ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত গুজৰাটৰ মুখ্যমন্ত্ৰী আগশাৰীত আছে । তেওঁ ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনতো বিশ্বাসযোগ্যভাৱে ৩ বাৰ জয়লাভ কৰিছে । তেওঁৰ সৈতে সম্পৰ্ক নৰখা কিছুমান ৰাষ্ট্ৰৰ পূৰ্বৰ সিদ্ধান্ত ভাৰতৰ অসফল বৈদেশিক নীতিৰ বাবেহে আছিল । কোনো ৰাজনৈতিক দ’ল অথবা ৰাজ্য চৰকাৰে ভাৰতৰ নিৰ্বাচিত প্ৰতিনিধিৰ সৈতে বৈদেশিক ৰাষ্ট্ৰই সম্পৰ্ক ৰখা অথবা নৰখাৰ ওপৰত প্ৰতিক্ৰিয়া দিয়াতো উচিত নহয় । এই সন্দৰ্ভত কেৱল বিদেশ মন্ত্ৰালয়েহে প্ৰতিক্ৰিয়া দিব পাৰে । বৈদেশিক মন্ত্ৰালয় ইউ পি এ ৰ অন্তৰ্গত হয়নে ? হয় ইয়াত কোনো প্ৰশ্ন নাই ।

এই বৈঠকক লৈ বিদেশ মন্ত্ৰী শ্ৰীযুত চলমান খুৰছিদৰ প্ৰতিক্ৰিয়া তেওঁৰ নিজৰহে । কংগ্ৰেছ দ’লৰ আজি যথেষ্ট মনোবল ভংগ হৈছে । তেওঁলোকৰ বাবে কিবা লিখাতো স্বাভাৱিক । আগন্তুক নিৰ্বাচনত তেওঁলোক পৰাস্ত হোৱাতো নিশ্চিত । তেওঁলোক সম্পূৰ্ণৰূপত শেষ হৈ যাব । তেওঁলোকক ভোট দিয়াৰ ভেটি শেষ হৈ গৈছে । তথাপিও তেওঁলোকৰ মন্ত্ৰীৰ অৰাজকতা এতিয়াও আছে । কিছুসময় ধৰি দিয়া তেওঁলোকৰ প্ৰতিক্ৰিয়াই ইয়াকেই প্ৰকাশিত কৰিছে । বিদেশ মন্ত্ৰীয়ে যি ভাৰতৰ নিৰ্বাচিত প্ৰতিনিধিৰ মৰ্য্যদা ৰক্ষা কৰিব লাগিছিল, তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰদূতৰ সৈতে গুজৰাটৰ মুখ্যমন্ত্ৰীৰ বৈঠকক লৈ চিন্তা প্ৰকাশ কৰিছে ।

ভাৰতৰ বৈদেশিক নীতিৰ বাবে ভাৰত আমেৰিকাৰ সম্বন্ধ বহুত গুৰুত্বপূৰ্ণ । এন ডি এ চৰকাৰৰ শাসনৰ সময়ত শ্ৰী যুত অটল বিহাৰী বাজপেয়ীয়ে এই বন্ধুত্বক শক্তি প্ৰদান কৰিছিল ।

সকলোৱে বুজিব লাগে যে ৰাষ্ট্ৰনেতাই বহুতো সমস্যা ঘটুৱাত সহায় কৰিব । সৰু সৰু কথাক লৈ এনে সম্বন্ধক অস্থিৰ কৰোৱাব নোৱাৰি ।